ঊনৈশ শতিকাত ইংৰাজৰ বিৰুদ্ধে অসমৰ কৃষক বিদ্ৰোহ বোৰৰ বিষয়ে আলোচনা কৰা।

1857 চনৰ বিদ্ৰোহ অসমত বিফল হৈছিল যদিও এই বিদ্ৰোহে অসমৰ কৃষক সকলৰ মাজত বিদ্ৰোহৰ বীজ ৰোপণ কৰি গৈছিল। যাৰ ফলত 1860 চনৰ পৰা 1900 চনলৈকে অসমৰ কৃষক সকলে বৃটিছ চৰকাৰৰ অৰ্থনৈতিক শোষণ-উৎপীড়নৰ বিৰুদ্ধে বিদ্ৰোহত নামি পৰিছিল। এই বিদ্ৰোহবোৰৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

1. <u>ফুলগুৰিৰ ধেৱা</u>: অসমীয়া কৃষকৰ বৃটিছৰ অৰ্থনৈতিক শোষণৰ বিৰুদ্ধে প্ৰথম বাৰ প্ৰকাশ ঘটিছিল ফুলগুৰিৰ ধেৱাত। নগাঁও জিলাৰ ফুলগুৰিৰ কাছাৰী আৰু লালুং সম্প্ৰদায়ৰ লোকসকলে কানি সেৱনৰ প্ৰতি আসক্ত হৈ আৰু চাহিদা পূৰণৰ অৰ্থে নিজে কানি উৎপাদন কৰিবলৈ লৈছিল। কিন্তু চৰকাৰে এই কথা সহ্য কৰিব নোৱাৰি 1860 চনত এখন আইনৰ জৰিয়তে এই কানি উৎপাদন বন্ধ কৰে আৰু চৰকাৰীভাৱে কানি যোগানৰ ব্যৱস্থা কৰে। ফলত কানিৰ অভ্যাস এৰিব নোৱাৰা ফুলগুৰিৰ ৰাইজে অধিক দামত চৰকাৰী কানি কিনিবলৈ গৈ সৰ্বস্বান্ত হৈ পৰে। লগতে তেওঁলোকৰ দ্বাৰা উৎপাদিত পাণ-তামোলৰ ওপৰতো চৰকাৰে কৰ আৰোপ কৰিব খুজিলে গুজৱ ওলোৱাত ফুলগুৰিৰ ৰাইজৰ প্ৰতিনিধিসকলে নিজৰ অভাৱ-অভিযোগবোৰ জনাবলৈ জিলাধিপতি ক্ৰম চাহাবক দেখা কৰে। কিন্তু জিলা বিষয়াই তেওঁলোকৰ অভিযোগ শুনাৰ পৰিবৰ্তে তেওঁলোকক দিনটোৰ বাবে আটক কৰি থয়। এই ঘটনাৰ প্ৰতিবাদকল্পে ফুলগুৰিত এখন ৰাইজ মেল আহ্বান কৰা হয়। জিলা বিষয়াই এই মেল ভাঙি দিবলৈ গৈ উত্তেজিত জনতাৰ প্ৰহাৰত প্ৰাণ হেৰুৱায়। ফলত চৰকাৰে কঠোৰ হাতে এই বিদ্ৰোহ দমন কৰে। এয়াই আছিল ফুলগুৰিৰ ধেৱা।

Scanned with CamScanner

## ৰঙিয়াৰ ৰাইজ মেল:

১৮৯৪ চনৰ ১০ জানুৱাৰীত চৰকাৰৰ খাজনা বৃদ্ধিৰ প্ৰতি- বাদত ৰঙিয়াত এক বিশাল প্ৰতিবাদীসভা আহ্বান কৰা হয়। ফলত কামৰূপ জিলাৰ উপায়ুক্ত মেক্‌কেবে এই মেল ভাঙি দিয়াৰ উদ্দেশ্যে কিছুমান নেতৃস্থানীয় লোকক আটক কৰে। ফলত উত্তেজিত জনতাই ৰঙিয়া থানাৰ সন্মুখত এই ঘটনাৰ প্ৰতিবাদত বিক্ষোভ প্ৰদৰ্শন কৰে। বিক্ষোভকাৰী জনতাক ছত্ৰভংগ দিয়াৰ বাবে পুলিচে গুলীচালনা কৰে। চৰকাৰী হিচাপত হতাহতৰ সংখ্যা শূন্য হলেও এই তথ্য জনসাধাৰণৰ অতি অবিশ্বাস্য যেন লাগে।

## লাচিমাৰ ৰাইজমেল:

চৰকাৰী খাজনা নীতিৰ বিৰুদ্ধে অনুষ্ঠিত ৰাইজ মেলবোৰৰ ভিতৰত কামৰূপ জিলাৰ সৰুক্ষেত্ৰী মৌজাৰ লাচিমাত অনুষ্ঠিত ৰাইজ মেল আছিল অন্যতম। 1894 চনৰ ২১ জানুৱাৰী তাৰিখে সৰুক্ষেত্ৰীৰ পানগাঁও ঠুলত এই মেল বহে আৰু চৰকাৰে এই মেল ভংগ কৰি- বলৈ প্ৰথমে লাঠিচাৰ্জ কৰে যদিও শেষত গুলীচালনা কৰি- বলৈ বাধ্য হয়। লগতে বহুতো লোকক আটক কৰি কাৰাৰ শাস্তি প্ৰদান কৰে।

## পথৰুঘাটৰ বিদ্ৰোহ:

বৃটিছ চৰকাৰৰ বৰ্দ্ধিত খাজনা নীতিৰ বিৰুদ্ধে আন এক প্ৰতিবাদী ঘটনা হ'ল পথৰুঘাটৰ বিদ্ৰোহ। 1894 চনত দৰং জিলাৰ ৰাইজে পথৰুঘাটত উপস্থিত হোৱা জিলাধিপতি, মহকুমা পুলিচ বিষয়া আৰু মহকুমাধিপতিৰ লগ হৈ প্ৰতিবাদ সাব্যস্ত কৰে প্ৰতিবাদী জনতাৰ ওপৰত লাঠী আৰু গুলীচালনা কৰা হয় আৰু চৰকাৰী হিচাপমতে 15 জন লোক নিহত আৰু 37 জন লোক আহত হৈছিল যদিও বেচৰকাৰী হিচাপমতে হতাহতৰ সংখ্যা অধিক সৰহ আছিল।

Scanned with CamScanner